**চাইকেল পাব নৱমৰ শিক্ষাৰ্থীয়ে**

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** হিমন্ত বিশ্ব শৰ্মা কেবিনেটৰ আজি বৈঠক অনুষ্ঠিত হয়। এই ৬ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, SEPTEMBER 25, 2024 ■ বুধবাৰ।। ৮ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৩ Guwahati, Assam ।। মূল্যঃ এটকা

## টাৰ্গেট হিজবুল্লাহ! পেজাৰ, ৱাকি-টকীৰ পিছত 'আকাশী আক্ৰমণ'

# যুদ্ধংদেহি ইজৰাইল, লেবাননত ৫৯২ জন নিহত



লেবাননত ইজৰাইলৰ আক্ৰমণৰ সময়ত হাতৰ মুঠিত প্ৰাণ লৈ দৌৰ এজন যুৱকৰ, ফটোঃ গেট্টি ইমেজ

**বেইৰুট, ২৪ ছেপ্টেম্বৰঃ** বিভীষিকা শাম কটা নাই মধ্যপ্ৰাচ্যৰ মণি লেবাননত। সোমবাৰে দেশখনত পুনৰ সংঘটিত ইজৰাইলৰ আক্ৰমণত এদিনতে প্ৰাণ হেৰুৱাবলগীয়া হয় প্ৰায় পাঁচ শতাধিক লোকে। অৱশ্যে ইজৰাইলৰ এই আক্ৰমণৰ প্ৰত্যুত্তৰ দি লেবাননৰ শেষাংশ ২ পৃষ্ঠাত

## নিৰ্দেশ অমান্য! আকৌ বুলডজাৰেৰে চলালে উচ্ছেদ

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** গুৱাহাটীৰ পাছতে এইবাৰ নামনি অসমত উচ্ছেদ চলাইছে ৰাজ্য চৰকাৰে। গোৱালপাৰা জিলাত উচ্ছেদ অভিযান আৰম্ভ কৰিছে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে। গোৱালপাৰাৰ লক্ষীপুৰৰ বান্দৰমাথা সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰি বসবাস শেষাংশ ২ পৃষ্ঠাত

### লাগে পুৰস্কাৰ, কৰিলে কাণ্ড

## জেললৈ গ'ল ৰে'লৰে কৰ্মচাৰী

**আহমেদাবাদ, ২৪ ছেপ্টেম্বৰঃ** একমাত্ৰ পুৰস্কাৰৰ লালসাত এক ভয়ংকৰ ঘটনা সংঘটিত কৰি গ্ৰেপ্তাৰ হ'ল তিনিজন ৰে'লৰে কৰ্মচাৰী। এই ঘটনা শেষাংশ ২ পৃষ্ঠাত

## কিনিয়েই আছে তিৰুপতিৰ প্ৰসাদ

**হায়দৰাবাদ, ২৪ ছেপ্টেম্বৰঃ** প্ৰসিদ্ধ তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুত জন্তুৰ চৰ্বি আৰু মাছৰ তেল ব্যৱহাৰৰ বিতৰ্কক লৈ সমগ্ৰ দেশজুৰি অব্যাহত আছে প্ৰতিক্ৰিয়াৰ। শেষাংশ ৩ পৃষ্ঠাত

## ২৪ ঘণ্টাই বিদ্যুৎ থাকে বাবে এতিয়া বেছিকৈ বিল আহে! দিলীপৰ দাবী



**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** কটা ঘাঁত নিমখ দিয়াত ওস্তাদ হৈ পৰিছে বিজেপি দলৰ নেতাসকল। জনতাৰ কল্যাণ সাধিম বুলি অসমৰ ৰাইজৰ ভোট লৈ দিল্লী-দিছপুৰত চৰকাৰ শেষাংশ ৩ পৃষ্ঠাত

## নলাত পৰি নৱম শ্ৰেণীৰ ছাত্ৰীৰ মৃত্যু

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** স্কুটীসহ পথৰ দাঁতিৰ নলাত পৰি ১৫ বছৰীয়া ছাত্ৰীয়ে অকাল মৃত্যুক আকোৱালি লোৱা ঘটনাই সমগ্ৰ নলবাৰী জিলাতে শেষাংশ ৩ পৃষ্ঠাত

## স্কুলীয়া পাঠ্যপুথিত আকৌ 'চৰিত্ৰ পাঠ'

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰত সংঘটিত সভ্য সমাজক জোকাৰি ঘটনাই চৌদিশে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সচেতন অভিভাৱক, সমাজ সচেতন লোকক এই ঘটনাই বাৰুকৈয়ে চিন্তিত কৰিছে। ছিপাঝাৰৰ পদুমপুখুৰী হাইস্কুলত দশম শ্ৰেণীৰ ছাত্ৰৰ প্ৰহাৰত নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জ্যেষ্ঠ ছাত্ৰৰ প্ৰহাৰত ভৰেশ ডেকা নামৰ নৱম শ্ৰেণীত অধ্যয়ৰত ছাত্ৰজনে অকালতে শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধংদেহি ইজৰাইল, লেবাননত

শাসকীয় পক্ষৰে জড়িত হিজবুল্লাহেও আক্ৰমণ চলায়। বাতৰি অনুসৰি হিজবুল্লাহে ইজৰাইলৰ সামৰিক ঘাটিত দুশটা ৰকেট নিক্ষেপ কৰে। কিন্তু এই এই ৰকেট আক্ৰমণত হতাহতৰ খবৰ স্পষ্ট নহয়, আনহাতে ইজৰাইলেও এই সন্দৰ্ভত কোনো মন্তব্য কৰা নাই। লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, সোমবাৰে ইজৰাইলৰ আক্ৰমণত দেশখনত মহিলা আৰু শিশুসহ ৫৯২ জন লোকৰ মৃত্যু ঘটে। ইফালে এই আক্ৰমণত আহত লোকৰ সংখ্যা হৈছে ১৬৪৫ জন। সোমবাৰে নিশা হাইফা, আফুলা, নাচৰত আদি ঠাইত এই আক্ৰমণ সংঘটিত হয়। ইফালে ইজৰাইলে দাবী কৰা মতে, হিজবুল্লাহে নিক্ষেপ কৰা অধিক সংখ্যক ৰকেট তেওঁলোকৰ 'আইৰণ ড'মে' আকাশতে ধ্বংস কৰি পেলায়। অৱশ্যে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে সকীয়াই দিছে যে যদিহে হিজবুল্লাহে এই আক্ৰমণ বন্ধ নকৰে তেন্তে অনাগত দিনত অধিক শক্তিৰে আক্ৰমণ কৰা হ'ব। ইজৰাইলৰ সেনাৰ মুৰব্বী লেফটেনেণ্ট জেনেৰেল হাৰ্জি হালেভিয়ে কয় যে লেবাননত হিজবুল্লাহৰ বিৰুদ্ধে যুঁজৰ পৰৱৰ্তী পদক্ষেপৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। কিন্তু পৰৱৰ্তী পদক্ষেপটো অধিক ভয়ংকৰ হ'ব বুলিও তেওঁ ইংগিত দিয়ে। অন্যহাতে এই আক্ৰমণৰ পূৰ্বে সোমবাৰে ইজৰাইলৰ সেনাই লেবাননৰ ৰাজধানী বেইৰুটৰ বাসিন্দাসকলক অতি সোনকালে চহৰ এৰি আন ঠাইত আশ্ৰয় ল'বলৈ সকীয়াই দিয়ে। ইয়াৰোপৰি হিজবুল্লাহৰ পৰা দূৰত্ব বজাই ৰাখিবলৈও সকীয়াই দিয়া হয়। এই বাৰ্তা পোৱাৰ পিছত বেইৰুটৰ বাসিন্দাসকলে আন ঠাইলৈ পলায়ন কৰিবলৈ আৰম্ভ কৰে আৰু সতৰ্কবাণীৰ পিছতে ইজৰাইলে লেবাননৰ মাটিত সংঘটিত কৰে ধাৰাবাহিক বোমাক্ৰমণ। উল্লেখ্য যে, ইজৰাইলে বিগত ১১ মাহ ধৰি হিজবুল্লাহৰ সৈতে যুঁজ দি আহিছে। সেই দেশখনক আক্ৰমণ কৰিছিল পেলেষ্টাইনী উগ্ৰপন্থী সংগঠন হামাছে। হিজবুল্লাহেও তেওঁলোকক সমৰ্থন কৰিছিল। তেতিয়াৰ পৰাই আৰম্ভ হয় এই দুই ৰাষ্ট্ৰৰ সংঘাত। কিন্তু দুই ৰাষ্ট্ৰৰ নেতৃত্বৰ এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিণাম ভুগিবলগীয়া হৈছে সাধাৰণ জনতাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্দেশ অমান্য! আকৌ

কৰি থকা লোকসকলৰ ঘৰ আজি বুলডজাৰ লগাই ভাঙি দিয়া হয়। বিগত দুদিন পূৰ্বৰ পৰা বনাঞ্চলখনৰ কেইবাটাও এলেকাত নিয়োগ কৰা হৈছিল নিৰাপত্তাৰক্ষী। স্থানীয় প্ৰশাসনে আৰক্ষী, অৰ্ধসামৰিক বাহিনী নিয়োগ কৰি সাজু হৈছিল উচ্ছেদৰ বাবে। বান্দৰমাথা সংৰক্ষিত বনাঞ্চলৰ বিষয়াই জানিবলৈ দিয়া মতে, পুৱা ১০ বজাৰ পৰা চলা উচ্ছেদ অভিযানত বনাঞ্চলখনত বসবাস কৰি অহা ২০০টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। ১১৮ হেক্টৰ ভূমিৰ ৫৫ হেক্টৰত উচ্ছেদ চলোৱা হৈছে। এই উচ্ছেদক লৈ চেপা উত্তেজনা অব্যাহত আছে লক্ষীপুৰত। উল্লেখ্য যে, এসপ্তাহ পূৰ্বে বন বিভাগে বান্দৰমাথা সংৰক্ষিত বনাঞ্চলত বসবাস কৰা পৰিয়ালসমূহক জাননী জাৰি কৰিছিল। জাননী লাভ কৰি একাংশ লোকে ঘৰ এৰি গৈছিল যদিও একাংশ লোকে ঘৰ এৰি যোৱা নাছিল। বুধবাৰে একেই স্থানত চলিব উচ্ছেদ অভিযান। ইপিনে আজি কামৰূপ জিলা প্ৰশাসনে সোণাপুৰত উচ্ছেদ অভিযান চলায়। বৃহৎ আৰক্ষী বাহিনী লৈ সোণাপুৰৰ কচুতলিত আজি পুনৰ উচ্ছেদ অভিযান চলাই জিলা প্ৰশাসনে। উচ্ছেদ অভিযানত ৬টা স্থানত ২৫০টা বাসগৃহত প্ৰশাসনে উচ্ছেদ কৰা হয়। আজি পুৱাৰে পৰা বৃহৎ আৰক্ষীৰ বেষ্টনী গঢ়ি তুলিছিল প্ৰশাসনে। তাৰ পাছতে কঁচুতলিৰ নতুন ৬টা স্থানৰ অবৈধভাবে নিৰ্মাণ কৰা অভিযোগ উত্থাপিত ২৫০টা বাসগৃহ বুলডজাৰ লগাই ভাঙি দিয়ে প্ৰশাসনে। পুনৰ উচ্ছেদ অভিযান চলোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। শেহতীয়াকৈ উচ্ছেদৰ বিষয়টোক একাংশ লোকে সাম্প্ৰদায়িক ৰূপ দিব খোজাৰ সময়তে আজি পুনৰ উচ্ছেদ অভিযান চলোৱাত বহু পৰিয়ালে সংশয়ত দিন পৰা বুলি জানিব পৰা গৈছে। আদালতৰ নিৰ্দেশ অমান্য কৰি কামৰূপ মহানগৰ জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুযায়ী ৩০ ছেপ্টেম্বৰ পৰ্যন্ত বন্ধ ৰাখিব লাগিছিল উচ্ছেদ অভিযান। সোণাপুৰৰ ৫৫টা উচ্ছেদিত পৰিয়ালৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত দুখন লেখ আবেদন দাখিল কৰিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে তৎক্ষণাত শুকুৰবাৰে শুনানি অনুষ্ঠিত কৰি উচ্ছেদ বন্ধ ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। নতুনকৈ উচ্ছেদৰ বাবে জাৰি কৰা জাননীখনক প্ৰত্যাহ্বান জনাই ৫৫টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আৰ্জিৰ হৈ অধিবক্তা এ আৰ ভূঞাই যুক্তি প্ৰদৰ্শন কৰিছিল। শুনানিকালত জাননীখন আইন অনুসৰি জাৰি কৰা হোৱা নাছিল বুলি কামৰূপ মহানগৰ জিলা উপায়ুক্তক তীব্ৰ সমালোচনা কৰে আদালতে। কামৰূপ মহানগৰ জিলা উপায়ুক্তই কোনো জৰীপ নকৰাকৈ জাননী জাৰী কৰা বুলি আদালতে সমালোচনা কৰে। আদালতে আবেদনকাৰীক নথিসমূহ ১৩ অক্টোবৰৰ ভিতৰত কামৰূপ মহানগৰ জিলা উপায়ুক্তক জমা দিয়াৰ নিৰ্দেশ দিয়ে। ইপিনে উচ্ছেদক লৈ গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছিল দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। বুলডজাৰ চলাই কোনো বাসগৃহ ভাঙি পেলাব নোৱাৰিব বুলি নিৰ্দেশ দিছিল উচ্চতম ন্যায়ালয়ে। এক গোচৰৰ শুনানিৰ সময়ত ১ অক্টোবৰৰ পৰৱৰ্তী শুনানি পৰ্যন্ত এই নিৰ্দেশ বলবৎ থাকিব বুলি মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গভাই আৰু ন্যায়াধীশ কে বি বিশ্বনাথনৰ বিচাৰপীঠে সকীয়াই দিয়ে যে যদি কোনো কাঠামো অবৈধভাৱে বুলডজাৰেৰে ভাঙি পেলোৱা হয়, তেন্তে এই কাৰ্য্যক অসাংবিধানিক বুলি গণ্য কৰা হ'ব। উল্লেখ্য যে, সোণাপুৰত ৯ ছেপ্টেম্বৰৰ পৰা উচ্ছেদ অভিযান চলিছিল। ১২ ছেপ্টেম্বৰ আৰক্ষী আৰু সন্দেহযুক্ত বেদলকাৰীৰ মাজত সংঘাত লগাত ২ স্থানীয় লোক নিহত হয়। আনহাতে ২৩ আৰক্ষী বিষয়া আৰু এগৰাকী কিশোৰী আহত হৈছিল। এই ঘটনাৰ পাছতে সাময়িকভাৱে প্ৰশাসনে উচ্ছেদ স্থগিত ৰাখিছিল যদিও ২৩ ছেপ্টেম্বৰত সোণাপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে কঁচুতলিৰ ট্ৰাইবেল বেল্ট আৰু ব্লকত বসবাস কৰি থকা লোকক তিনিদিনৰ ভিতৰত ঘৰ খালী কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এক লেখ আবেদনৰ পাছতে সাময়িকভাৱে উচ্ছেদ স্থগিত ৰাখিবলৈ চৰকাৰ আৰু প্ৰশাসনক নিৰ্দেশ দিছিল আদালতে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেললৈ গ'ল ৰে'লৰে

গুজৰাটৰ চুৰাটৰ। নিজেই ৰে'লৰে ট্ৰেকৰ পৰা ফিছপ্লেট খুলি ৰাখি ভয়ংকৰ দুৰ্ঘটনাৰ পৰা যাত্ৰীবাহী ৰে'ল ৰক্ষা কৰাৰ বাহ বাহ লৈ পুৰস্কাৰ লাভ কৰিব বিচৰা ৰে'লৰে কৰ্মচাৰী কেইজনৰ অভিসন্ধি পোহৰলৈ অহাৰ পিছতে গ্ৰেপ্তাৰ কৰা হয় তিনিওজনকে। ধৃত ৰেল'ৰে কৰ্মচাৰী কেইজনক ট্ৰেক মেন সুভাষ পোদ্দাৰ আৰু মনীষ মিস্ত্ৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰী শুভম জয়ছৱাল বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, এই তিনি ৰে'ল কৰ্মচাৰীয়ে যোৱা ২১ ছেপ্টেম্বৰত চুৰাটৰ কোছাম্বি আৰু কিম ষ্টেচনৰ মাজৰ ৰে'ললাইনৰ পৰা প্ৰথমে ফিছপ্লেট খোলে। ইয়াৰ পিছত তিনিওজনে তাত ৰে'ল অহালৈ অপেক্ষা কৰে। ক্ষন্তেক সময় পিছত যেতিয়া এখন যাত্ৰীবাহী ৰে'ল আহে, তেওঁলোকে দূৰৈৰ পৰাই ৰে'লখন ৰখাই ৰে'ল লাইনত বিসংগতিৰ কথা উল্লেখ কৰে। ইয়াৰ পিছত ৰে'লৰ চালকজনে নামি আহি দেখে যে ৰে'ল লাইনৰ ফিছপ্লেট খোলা আছে আৰু কিছু নট-বল্টুও খোলা আছে। লগে লগে এই সম্পৰ্কে উৰ্ধতন কৰ্তৃপক্ষক অৱগত কৰাত সেইস্থানত ষ্টেচনমাষ্টৰ আৰু ৰে'লৰেৰ বিষয়াৰ লগতে ৰে'লৰে নিৰাপত্তাৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। এই সময়ছোৱাত সকলোৱে ৰে'লখনক সম্ভাব্য ভয়ংকৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰাৰ বাবে সুভাষ, মনীষ আৰু শুভমক কৃতজ্ঞতা প্ৰকাশ কৰে। কিন্তু সকলোৰে পৰা বাহ বাহ লৈ পুৰস্কাৰ পাও পাও হোৱাৰ সময়তে এই তিনি ৰে'ল কৰ্মচাৰীৰ প্ৰকৃত অভিসন্ধি পোহৰলৈ আহে। তদন্তৰ সময়ত এয়া প্ৰমাণ হয় যে তিনিওজন ৰে'ল কৰ্মচাৰীয়েই মিলি এই নাটক ৰচিছিল আৰু ৰে'ল দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে প্ৰদান কৰিবলগীয়া পুৰস্কাৰ লাভৰ দাবীদাৰ হৈছিল। জোলোঙাৰ মেকুৰী ওলাই পৰাৰ পিছতে ৰে'ল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে তিনিওজন ৰে'ল কৰ্মচাৰীক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৪ ঘণ্টাই বিদ্যুৎ থাকে

গঠন কৰা বিজেপি দলৰ নেতাসকল এতিয়া লাগবান্ধ নোহোৱা কথাৰ বাবে কুখ্যাত হৈ পৰিছে। ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰখনে যেতিয়া প্ৰতিশ্ৰুতি কৰিব পৰা নাই তেতিয়াই আজৰ কথা ক'বলৈ আৰম্ভ কৰে। বিজেপি নেতা বিশ্বজিৎ দৈমাৰীয়ে বিদ্যুৎ ৰাহি কৰিবলৈ ৰাজ্যবাসীক ফেন বন্ধ কৰি গছৰ তলত বহিবলৈ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু খোদ দৈমাৰীয়ে তেওঁৰ আৱাসত ২২টা এচি ব্যৱহাৰ কৰাৰ তথ্য প্ৰকাশ পাইছিল। বিশ্বজিৎ দৈমাৰীৰ পথকে যেন অনুসৰণ কৰিছে দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। স্মাৰ্ট মিটাৰৰ লগোৱাৰ ফলত অত্যাধিক বিদ্যুতৰ মাচুল ভৰিব লগা হোৱাত ৰাজ্যজুৰি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত থকাৰ সময়তে জনতাক মূৰ্খ বুলি জাহিৰ কৰিবলৈ অতি তৰল মন্তব্য প্ৰদান কৰিছে দিলীপ শইকীয়াই। সাংসদগৰাকীয়ে কয় যে ২৪ ঘণ্টাই বিদ্যুৎ থকাৰ ফলত ব্যৱহাৰ বেছি হয়। ব্যৱহাৰ বেছি হয় বাবেই বিদ্যুতৰ বিল বেছি হোৱা বুলিও দাবী কৰিছে সাংসদ শইকীয়াই। শাসকীয় বিজেপি দলৰ নেতা শইকীয়াৰ এনে মন্তব্যক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া দেখা গৈছে। স্মাৰ্ট মিটাৰৰ সপক্ষে ক'বলৈ গৈ উদ্ভট মন্তব্য কৰা সাংসদ দিলীপ শইকীয়াই ৰাইজৰ আপত্তিৰ কথা হয়তো হৃদংগম কৰিব পৰা নাই। শইকীয়াই কয় যে আগতে মানুহে কেৱল এখন ফেনহে ব্যৱহাৰ কৰিছিল। আগত ২৪ ঘণ্টাৰ ৬ ঘণ্টাহে বিদ্যুৎ আছিল। সেইবাবে মানুহে বিদ্যুৎ ব্যৱহাৰ কৰা নাছিল। বিল কম আহিছিল। এতিয়া ২৪ ঘণ্টাই কাৰেণ্ট থাকে, সেয়ে মানুহে বেছিকৈ ব্যৱহাৰ কৰে, সেই বাবেহে বিল বেছি আহিছে। সাংসদ শইকীয়াৰ এনে মন্তব্যৰ পিছতে ছ'চিয়েল মিডিয়াত তেওঁক উভতি ধৰিছে ভিন্নজনে। নেটিজেনসকলৰ একাংশই মন্তব্য কৰিছে যে গাঁও বাদেই গুৱাহাটী মহানগৰীতে আজিকোপতি ২৪ ঘণ্টা বিদ্যুতৰ যোগান অব্যাহত থকাৰ দৰে দিন দেখাৰ সৌভাগ্য তেওঁলোকৰ হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নলাত পৰি নৱম শ্ৰেণীৰ

চাঞ্চল্যৰ সৃষ্টি কৰিছে। ছাত্ৰীগৰাকী টিহুৰ শংকৰদেৱ শিশু নিকেতনৰ ভাস্বতী কলিতা বুলি জানিব পৰা গৈছে। ভাস্বতী কলিতাৰ বয়স প্ৰায় ১৫ বছৰ আৰু নৱমমান শ্ৰেণীত পঢ়ি আছিল। আজি পুৱাৰ ভাগত ঘৰৰ পৰা স্কুটী লৈ টিউচন কৰিবলৈ অহাৰ সময়তে ছাত্ৰীগৰাকীয়ে নলাত পৰি মৃত্যুক আকোৱালি লয়। জানিব পৰা মতে, টিহুৰ ৰণাকুছি হেলচাপাৰাৰ ঘৰৰ পৰা এএছ-১৪-এন-১১০২ নম্বৰৰ স্কুটীত ৩নং ৱাৰ্ডৰ মাজেৰে টিউচনলৈ গৈ আছিল ভাস্বতী। ৩নং ৱাৰ্ডত হঠাতে স্কুটীখনৰ নিয়ন্ত্ৰণ হেৰুৱাই স্কুটীসহ পথৰ দাঁতিৰ নলাত পৰে। নলাৰ পকী দেৱালত লাগি ভাস্বতীয়ে দেহৰ কেইবাটা অংশত বেয়াকৈ আঘাত পায়। স্থানীয় লোকে নলাৰ পৰা তুলি ততাতৈয়াকৈ ভাস্বতীক নলবাৰীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিসকে মৃত ঘোষণা কৰে। ৰণাকুছি হেলচাপাৰা'ৰ বাপন কলিতাৰ কন্যা আছিল ভাস্বতী। ছাত্ৰীগৰাকীৰ মৃত্যুৰ খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইপিনে অভিভাৱকক লৈয়ো কেইবাটাও প্ৰশ্ন উত্থাপন হৈছে। নৱমশ্ৰেণীত অধ্যয়নৰত আৰু মাথো ১৫ বছৰ বয়সতে ছাত্ৰীগৰাকীক স্কুটী চলাবলৈ দিছিল কিয়? অভিভাৱকৰ ভুলৰ বাবে ছাত্ৰীগৰাকীয়ে মৃত্যুক আকোৱালি ল'বলগীয়া হোৱা বুলি বহুতে আক্ষেপ প্ৰকাশ কৰিছে। টিহু আৰক্ষীৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন হৈছে। আৰক্ষীয়ে চমক দিবলৈ মাজে মাজে তালাচী চলাই যদিও এগৰাকী ১৫ বছৰীয়া ছাত্ৰীয়ে কেনেকৈ স্কুটী চলাই আহিছিল বুলিও প্ৰশ্নৰ অৱতাৰণা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কিনিয়েই আছে তিৰুপতিৰ

তীব্ৰ ৰাজনৈতিক উত্তেজনাৰো সৃষ্টি কৰিছে এই বিতৰ্কই। কিন্তু দৈনিক ৬০ হাজাৰৰো অধিক তীৰ্থযাত্ৰীক আকৰ্ষণ কৰা শ্ৰী ভেংকটেশ্বৰ মন্দিৰৰ এই বহুমূলীয়া প্ৰসাদৰ লাড়ুৰ বিক্ৰীৰ ক্ষেত্ৰত কোনো প্ৰভাৱ পেলাব নাই এই বিতৰ্কই। মন্দিৰ প্ৰশাসনৰ তথ্য অনুসৰি যোৱা চাৰিদিনত বিক্ৰী হৈছে ১৪ লাখৰো অধিক তিৰুপতি লাড়ু। মন্দিৰ প্ৰশাসনৰ তথ্য অনুসৰি, ১৯ ছেপ্টেম্বৰত মুঠ ৩.৫৯ লাখ লাড়ু, ২০ ছেপ্টেম্বৰত ৩.১৭ লাখ, ২১ ছেপ্টেম্বৰত ৩.৬৭ লাখ, আৰু ২২ ছেপ্টেম্বৰত ৩.৬০ লাখ লাড়ু বিক্ৰী হৈছে। উল্লেখ্য যে, তিৰুপতি মন্দিৰত প্ৰতিদিনে ৩ লাখৰো অধিক লাড়ু প্ৰস্তুত কৰা হয়। মন্দিৰলৈ অহা তীৰ্থযাত্ৰীসকলে এই লাড়ু বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ বাবে ক্ৰয় কৰে। প্ৰণিধানযোগ্য যে, তিৰুপতিৰ এই প্ৰসাদৰ লাড়ু প্ৰস্তুতকৰণত বেংগৰ বেচন, গৰুৰ ঘিউ, চেনি, কাজু, কিচমিচ, আলমণ্ড ব্যৱহাৰ কৰা হয়। লাড়ু প্ৰস্তুতৰ বাবে দৈনিক ১৫ হাজাৰ কেজি গৰুৰ ঘিউ ব্যৱহাৰ কৰা হয়। কিন্তু শেহতীয়াকৈ এই লাড়ুত গৰু আৰু গাহৰিৰ চৰ্বি তথা মাছৰ তেল ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছিল। গুজৰাটৰ এটা পৰীক্ষাগাৰে প্ৰকাশ কৰা প্ৰতিবেদনৰ উদ্ধৃতি দি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে পূৰ্বৰ মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীৰ বিৰুদ্ধে অভিযোগৰ আঙুলি টোঁৱোৱাৰ পিছতে বৃদ্ধি পায় ৰাজনৈতিক উত্তেজনাৰ। পৰৱৰ্তী সময়ত এই অভিযোগৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰে বিশেষ তদন্তকাৰী দল। কিন্তু এই সমস্ত বিতৰ্কৰ পিছতো নিয়মিতভাৱে বিক্ৰী হৈ আছে তিৰুপতিৰ এই প্ৰসাদৰ লাড়ু। এই সন্দৰ্ভত এগৰাকী ভক্তই কয়, "এয়া আমাৰ বাবে বিশ্বাসৰ বিষয়। আৰু আমাৰ বিশ্বাস এনে ধৰণৰ বিতৰ্ক বা অভিযোগতকৈ বহু ওপৰত।" ইফালে তিৰুপতিৰ প্ৰসাদ বিতৰ্কৰ পিছতে আন কেবাটাও মন্দিৰৰ প্ৰসাদো চৰ্চালৈ আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...


# স্কুলীয়া পাঠ্যপুথিত আকৌ

প্ৰাণ হেৰুৱাই। এই ঘটনাই সমাজক হতভম্ব কৰিছে। তাহানিৰ হিংসা মুক্ত অসমীয়া সমাজখন আজি হঠাতে স্খলন হ'ল কিয় তাকেই লৈ চৰ্চা হৈছে। কেৰোণ ক'ত সেই কথা বুজি উলিয়াবৰ বাবে সময় সমাগত বুলি বিভিন্নজনে মন্তব্য প্ৰদান কৰিছে। কৈশোৰ অৱস্থাতে মন-মগজুত হিংসা ক'ৰ পৰা আহিল বুলি সচেতন নাগৰিকে প্ৰশ্ন কৰাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে বিশেষ ঘোষণা কৰিছে। তৃতীয় আৰু ষষ্ঠ শ্ৰেণীত 'চৰিত্ৰ পাঠ' শীৰ্ষক মহা মূল্যৱান কিতাপখন প্ৰচলন কৰাৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে এই ঘোষণা কৰি কয় যে এসময়ত পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীত নীতিশিক্ষাৰ পাঠ হিচাপে পঢ়া 'চৰিত্ৰ পাঠ' শীৰ্ষক মহা মূল্যৱান কিতাপখন পুনৰবাৰ তৃতীয় আৰু ষষ্ঠ শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সিদ্ধান্ত আদৰণীয় হ'ব বুলি আমি দৃঢ়ভাৱে বিশ্বাস কৰো। এখন মানৱীয়, সুন্দৰ আৰু নিকা সমাজ গঢ়াৰ ক্ষেত্ৰত আদিপাঠ হিচাপে এই গ্ৰন্থখনে যথেষ্ট ইতিবাচক ভূমিকা গ্ৰহণ কৰিব। ছিপাঝাৰৰ পদুমপুখুৰী হাইস্কুল কাণ্ডৰ পাছতে মুখ্যমন্ত্ৰীয়ে 'চৰিত্ৰ পাঠ' শীৰ্ষক কিতাপখন প্ৰচলনৰ ঘোষণা কৰাত পদুমপুখুৰী হাইস্কুল কাণ্ডৰ ফলত মুখ্যমন্ত্ৰীয়ে এনে সিদ্ধান্ত লোৱা বুলি চৰ্চা হৈছে। যিয়ে নহওক পৰীক্ষাৰ নম্বৰৰ বাবে বিজ্ঞানসন্মত বিষয়বস্তু আৰু সুস্থ বিকাশৰ বাবে পঢ়িবলগীয়া পুথিখন পুনৰ প্ৰচলন কৰাত কৰা কাৰ্যক প্ৰাসংগিক আৰু আদৰণীয় বুলি কয় বিভিন্নজনে। মুখ্যমন্ত্ৰীয়ে ইতিবাচক পদক্ষেপ লোৱা বুলি কয় বিভিন্নজনে। ল'ৰা-ছোৱালী শিক্ষিত হৈছে ঠিকেই। কিন্তু চৰিত্ৰ গঠন হোৱা নাই। যাৰ বাবে সমাজত অৰাজকতা বিৰাজমান বুলি অভিযোগ উঠিছে। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তই ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত সহায়ক হ'ব আৰু নৈতিক দায়িত্ববোধৰ লগতে সমাজখন নিকা হ'ব বুলি ভিন্নজনে মন্তব্য প্ৰদান কৰিছে। উল্লেখ্য যে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে কোনো অপকৰ্মত জড়িত হোৱাৰ বাতৰি পোহৰলৈ আহিলেই সামাজিক মাধ্যমত সময়ে সময়ে বহু নেটিজেনে স্কুলীয়া পাঠ্যপুথিত চৰিত্ৰ পাঠৰ দৰে পাঠ্যপুথিৰ প্ৰয়োজন আছে বুলি কৈ আহিছিল। অৱশেষত দৰঙত সংঘটিত শিহৰণকাৰী ঘটনাটোৰ পিছত মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। অৱশ্যে কিতাপখন নতুন হব নে আগৰখনেই থাকিব সেয়া জানিব পৰা হোৱা নাই।

# উপ নিৰ্বাচন তথা বিটিচি নিৰ্বাচনত বিপিএফৰ জয় নিশ্চিতঃ শুদ্ধ

## তাৰংগুৰিত বিশাল সভাৰে বিপিএফৰ প্ৰস্তুতি

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰঃ** কোকৰাঝাৰ সদৰ চহৰৰ নাতিদূৰৈৰ চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত তাৰংগুৰীত আজি ছালাকাটি ব্লক বিপিএফৰ সপ্তম ত্ৰিবাৰ্ষিক অধিবেশন উপলক্ষে এক বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। লোকে লোকাৰণ্য হৈ পৰা উক্ত অধিবেশনতে ছালাকাটি ব্লক বিপিএফৰ নতুন সমিতিখন গঠন কৰা হয়। সেইমৰ্মে সুৰেনসিং ৰায়ক সভাপতি আৰু মনোজ বসুমতাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ বিপিএফৰ ১০০ জনীয়া ছালাকাটি ব্লক সমিতিখন নতুনকৈ গঠন কৰা হয়। তদ্ৰুপ ১০০ জনীয়া সদস্যৰে মহিলা , যুৱ আৰু বিএচইউৰ সমিতিও গঠন কৰা হয়। ছালাকাটি ব্লক বিপিএফৰ ত্ৰিবাৰ্ষিক অধিবেশনত প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিটিচি বিধান পৰিষদৰ বিৰোধী দলপতি দেৰহাছাৎ বসুমতাৰী, বিপিএফৰ উপ-সভাপতি শুদ্ধ বসুমতাৰী সহিতে বিপিএফৰ আন নেতাসকল উপস্থিত আছিল। ইপিনে বিপিএফৰ উপ-সভাপতি তথা চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত বিপিএফৰ সম্ভাব্য প্ৰাৰ্থী শুদ্ধ বসুমতাৰীয়ে অনাগত চিদলী বিধানসভাৰ উপ- নিৰ্বাচনত বিপিএফৰ বিজয় সুনিশ্চিত বুলি দাবী কৰিছে। বিপিএফৰ স্থিতি যথেষ্ট শক্তিশালী বুলি দাবী কৰি সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত শুদ্ধ বসুমতাৰীয়ে ইউপিপিএল আৰু বিপিএফৰ মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত থকাৰ কথা সদৰি কৰিছে। লোকসভা নিৰ্বাচনত বিপিএফে পৰাজয়বৰণ কৰা সন্দৰ্ভত সাংবাদিকে কৰা এক প্ৰশ্নোত্তোৰত শুদ্ধ বসুমতাৰীয়ে কয় যে পৰাজয়ৰ আঁৰত কেতবোৰ কাৰণ আছে তাৰ ভিতৰত ইভিএমসমূহত ৭০০-৮০০ টাকৈ ভোটৰ অমিল হৈছিল বুলি মন্তব্য কৰে। অহা বিটিচি নিৰ্বাচনতো বিপিএফৰ বিজয় ১০০ শতাংশই নিশ্চিত বুলি দাবী কৰিছে বিপিএফৰ উপ সভাপতি শুদ্ধ বসুমতাৰীয়ে। উল্লেখ্য যে বিধানসভাৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে বিপিএফ ৰাজনৈতিক দল ক্ৰমান্বয়ে সক্ৰিয় হৈ উঠিছে আৰু সভা-সমিতি অনুষ্ঠিত কৰি উপ-নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে । বিপিএফৰ সভা-সমিতিত যথেষ্ট পৰিমানে ভোটাৰ ৰাইজ উপস্থিত থকাটো তাপপৰ্যপূৰ্ণ বিষয় হিচাপে চিহ্নিত হৈছে।




তৃতীয় আৰু ষষ্ঠ শ্ৰেণীত 'চৰিত্ৰ পাঠ' শীৰ্ষক কিতাপখন প্ৰচলনৰ ঘোষণা মুখ্যমন্ত্ৰীৰ

# চৰকাৰক সহায় কৰা আজমলৰ বিৰুদ্ধে সজাগ হওক

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** আজি মন্দিয়া বিধানসভা সমষ্টিত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক সম্বৰ্ধনা জনাই দলৰ বিভিন্ন নেতা-কৰ্মীয়ে। আজি ৰকিবুল হুছেইনক সম্বৰ্ধনা জ্ঞাপন কৰিবলৈ জয়পুৰ-ছিকাটাৰী ৰাজীৱ ভৱনত অনুষ্ঠিত হয় এক সম্বৰ্ধনা অনুষ্ঠান। জয়পুৰ-ছিকাটাৰী মণ্ডল কংগ্ৰেছৰ উদ্যোগত ৫নং চতলা জিলা পৰিষদ ভিত্তিত অনুষ্ঠিত অনুষ্ঠানত দলীয় নেতা-কৰ্মীয়ে হুছেইনক ফুলাম গামোচা-ফুলৰ থোপা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ধুবৰী সংসদীয় সমষ্টিৰ পৰা ইতিহাস সৃষ্টি কৰি জয়ী কৰাত আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হুছেইনে দলীয় সতীৰ্থসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰে। লগতে ২০২৬ চনৰ বাবে সাজু হ'বলৈ কোৱাৰ লগতে চৰকাৰক সহায় কৰি অহা বদৰুদ্দিন আজমলৰ দলৰ বিৰুদ্ধে সজাগ হৈ থাকিবলৈ কয়। অনুষ্ঠানত আব্দুল বাতিন খণ্ডকাৰ, আব্দুৰ ৰহিম, আফতাব উদ্দিন মোল্লা উপস্থিত থাকে।

## ক্ষোভিত ভেল্লাৰ ৰাইজ

# খিলঞ্জীয়া মুছলমান অধ্যুষিত ভেল্লা পঞ্চায়তক খণ্ড-বিখণ্ড!

**ই-সংবাদ, বৰপেটা, ২৪ ছেপ্টেম্বৰঃ** নিজৰ গাদী সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত অসমৰ আঠ শ বছৰীয়া ঐতিহ্যৰ গৌৰৱৰ অধিকাৰী খিলঞ্জীয়া গৰিয়া মুছলমান অধ্যুষিত বৰপেটাৰ ভেল্লা গাঁওৰ লোকক অসুৰক্ষিত কৰি ৰখাৰ কুটিল ৰাজনীতি কৰি আহিছে অতি চতুৰ, বহুবল্কী তথা অতি ক্ষমতাশালী বুলি ভবা এগৰাকী জনপ্ৰতিনিধিয়ে। বৃহত্তৰ ভেল্লা গাঁওৰ ইতিহাস, জনগাঁথনি, জনগোষ্ঠী, ভাষা, সাহিত্য, সংস্কৃতি, অসম মাতৃৰ হকে ত্যাগ, কষ্ট স্বীকাৰ্য্য সন্দৰ্ভত মুঠেই অৱগত নোহোৱা এগৰাকী ক্ষমতালিপ্সু জনপ্ৰতিনিধিয়ে ভেল্লাক ৰাজনৈতিক, ঐতিহাসিক তথা অৰ্থনৈতিকভাৱে নিশেষ কৰিবলৈ উঠি পৰি লাগিছে" - এই অভিযোগ ভেল্লাৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সাংবাদিক, লেখক, কবি তথা সচেতন মহলৰে গঠিত সামাজিক সংস্থা জাতীয় ঐতিহ্য সুৰক্ষা সমিতি ভেল্লাৰ । ঐতিহাসিক ভেল্লাৰ ঐতিহ্য,, অস্তিত্ব, সংস্কৃতি, পৰম্পৰা, ভাতৃত্ববোধক সুসজ্জিৱীত কৰি ৰখাৰ প্ৰয়াসেৰে গঠিত জাতীয় ঐতিহ্য সুৰক্ষা সমিতি ভেল্লাৰ সভাপতি আজিজুল হক আৰু সাধাৰণ সম্পাদক চাইজুৰ ৰহমানে পঞ্চায়তৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ শুনানিত অংশগ্ৰহণ কৰাৰ পিছতে কয়-" ভেল্লাখনক ৰাজনৈতিকভাৱে হত্যা কৰাৰ পিছত এতিয়া ঐতিহাসিকভাৱে ধ্বংস কৰি ভেল্লাৰ জনসাধাৰণৰ একতাক যুগ যুগান্তৰলৈ ধ্বংস কৰিব বিচৰাৰ ষড়যন্ত্ৰ চলিছে। এগৰাকী জনপ্ৰতিনিধিৰ ছত্ৰছায়াত এটি বিশেষ শ্ৰেণীৰ লোকক তুষ্ট কৰাৰ স্বাৰ্থত খিলঞ্জীয়া গৰিয়া মুছলমানৰ আধিপত্য থকা পূৰ্বৰ ১ নং ভেল্লা গাঁও পঞ্চায়তক খণ্ড- বিখণ্ড কৰিব বিচৰা হৈছে। বৃহত্তৰ ভেল্লাৰ বনবৰীয়া, ভেল্লা, খনকাৰপাৰা গাঁওক ভিন্ন পঞ্চায়তত অন্তৰ্ভুক্ত কৰি গৰিয়া জনগোষ্ঠীৰ আধিপত্য থকা পঞ্চায়তটোক গৰিয়াৰ পৰা আজুৰি নি এটি বিশেষ শ্ৰেণীৰ লোকৰ হাতত তুলি দিবলৈ কুটকৌশল চলিছে । খিলঞ্জীয়া গৰিয়া মুছলমানৰ সংখ্যাগৰিষ্ঠতা থকা পঞ্চায়তটোত বিভিন্ন গাওঁক অন্তৰ্ভুক্ত কৰি গৰিয়া সকলক সংখ্যালঘুত পৰিণত কৰাবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰোপৰি অতিজৰে পৰা চলি থকা ৪ নং ভেল্লা জিলা পৰিষদৰ ঠাইত কালদিয়া নামেৰে নামাকৰণ কৰি ঐতিহাসিক ভেল্লা নামটোক পঞ্চায়তৰ মানচিত্ৰৰ পৰাই নিশ্চিহ্ন কৰাৰ কুটিল ৰাজনীতি চলি আছে"।

# ১২ টা মোবাইল - ৪৫ হেজাৰ নগদ ধন জব্দ

# কোকৰাঝাৰত ভুৱা কল চেণ্টাৰ খুলি প্ৰৱঞ্চনা বহিঃৰাজ্যৰ দুই প্ৰৱঞ্চকৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰঃ** কোকৰাঝাৰ সদৰ চহৰত ভুৱা কল চেণ্টাৰৰ জৰিয়তে প্ৰৱঞ্চনা চলাই অহা বহিৰাজ্যৰ প্ৰৱঞ্চকৰ দলৰ দুজনক আজি কোকৰাঝাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে উত্তৰ প্ৰদেশৰ দুই প্ৰৱঞ্চকৰ লগতে উক্ত প্ৰৱঞ্চকৰ দলটোৱে কল চেণ্টাৰত নিযুক্তি দিয়া চাৰি স্থানীয় যুৱতীকো সোধপোছৰ বাবে থানালৈ আনিছে। প্ৰাপ্ত বাতৰি মতে কিছুদিন পূৰ্বে অৰ্থাৎ জুন মাহত উত্তৰ প্ৰদেশৰ পৰা আহি প্ৰৱঞ্চকৰ দলটোৱে সুভাষপল্লীত ভাড়াঘৰ লৈছিল। কল চেণ্টাৰৰ কাৰ্যালয় বুলি ভাড়াত লোৱা প্ৰৱঞ্চকৰ দলটোৱে স্থানীয় চাৰিগৰাকী যুৱতীক নিযুক্তিও দিছিল। ইয়াৰ পিছতে প্ৰৱঞ্চকৰ দলটোৱে জিলাখনত প্ৰৱঞ্চনাৰ জাল পাতে। চাকৰিৰ নামত ভুৱা বিজ্ঞাপন দি প্ৰাৰ্থীৰ পৰা ধন সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰে প্ৰৱঞ্চকৰ দলটোৱে। টাটা মটৰ্চকে ধৰি আন কোম্পানীত চাকৰি দিম বুলি প্ৰৱঞ্চকৰ দলটোৱে প্ৰাৰ্থীৰ পৰা ধন সৰকাইছিল। প্ৰৱঞ্চকৰ দলটোৱে পঞ্জীয়নৰ নামত প্ৰতিগৰাকী প্ৰাৰ্থীৰে পৰা ২১০০ টকাকৈ ধন লৈছিল বুলি অভিযোগ উত্থাপিত হৈছে। কোকৰাঝাৰ আৰক্ষীয়ে এই খবৰ লাভ কৰি আজি কল চেণ্টাৰটোত অভিযান চলাই প্ৰৱঞ্চকৰ দলটোৰ দুজনক আটক কৰে। লগতে প্ৰৱঞ্চকৰ দলটোৱে কল চেণ্টাৰত নিযুক্তি দিয়া চাৰি গৰাকী স্থানীয় যুৱতীকো সোধপোছৰ বাবে আৰক্ষীয়ে কোকৰাঝাৰ থানালৈ লৈ আনে। আৰক্ষীয়ে প্ৰৱঞ্চকৰ দলটোৰ পৰা ১২ টা মোবাইল, ৪৫ হেজাৰ নগদ ধন আৰু ভুৱা নথিপত্ৰ জব্দ কৰিছে। তদন্তৰ খাতিৰত আৰক্ষীয়ে প্ৰৱঞ্চকৰ দলটোৰ বিতং তথ্য সদৰী কৰা নাই। আৰক্ষীয়ে প্ৰৱঞ্চক দলটোত চামিল হৈ থকা আন সদস্যসকলক কৰায়ত্ব কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে।



অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰথম গৰাকী সভাপতি প্ৰয়াত বাবু ছবিলাল উপাধ্যায়ৰ ঘৰত গৌৰৱ গগৈ

# শিৱসাগৰৰ জি জি এচ ছাৰিআলিত নিশা ভয়ংকৰ দুৰ্ঘটনা, থিতাতে নিহত এজন

**ই-সংবাদ, শিৱসাগৰ, ২৪ ছেপ্টেম্বৰঃ** শিৱসাগৰ চহৰৰ সমীপৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মঠাদাং জি জি এচ ছাৰিআলিত আজি নিশা প্ৰায় ৯ বজাত সংঘটিত এক ভয়াবহ পথ দুৰ্ঘটনাত মৰিগাওঁ জিলাৰ এজন যুৱক ঠিতাতে নিহত হয়। নিহত যুৱকজনক মৰিগাওঁ জিলাৰ নিবাসী অৰবিন্দ্ৰ দাস বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাটোত আহত এজনৰ অৱস্থা সংকতজনক। আহত যুৱকজনৰ নাম দীপেন দাস বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে ভটীয়াপাৰ দিশৰ পৰা এ এচ ০৪ ভি ৭৪২৬ নম্বৰৰ বাইক খনত দুই যুৱক একেলগে নিজ গৃহ অভিমুখে গৈ থকাৰ সময়তেই বিপৰীত দিশৰ পৰা অহা এখন অচিনাক্ত ট্ৰাকে দুই আৰোহীক মহতিয়াই নিয়ে। ফলত ঠিতাতে মৃত্যু হয় অৰবিন্দ্ৰ দাস নামৰ ৩২ বছৰীয়া যুৱকজন। জানিব পৰা মতে শেনচোৱা গাৱঁৰ নিবাসী আহত দীপেন দাসৰ ঘৰতেই আছিল নিহত অৰবিন্দ্ৰ দাস। ঘটনাৰ খবৰ পোৱাৰ পিছতেই জয়সাগৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ আহত জনকচিকিৎসালয়লৈ বিপৰীতে নিহতজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎলালয়লৈ প্ৰেৰণ কৰিছে। বাতৰি লিখাৰ পৰলৈকে ঘাতক ট্ৰাকখনৰ সন্ধান ওলোৱা নাই। এই শোকাবহ দুৰ্ঘটনাটো ফৰ্লেনকাৰী নিৰ্মাণ প্ৰতিস্থান আৰু জৰাজীৰ্ণ পথৰ বাবেই সংঘটিত হোৱাৰ অভিযোগ উঠিছে।

# সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যক শিশু সাহিত্য বঁটা প্ৰদান




**জয়ন্ত মুদৈ, বেবেজীয়া, ২৪ ছেপ্টেম্বৰঃ** যশস্বী শিশু সাহিত্যিক 'নূপুৰ মোমাইদেউ' খ্যাত ত্ৰৈলোক্য ভট্টাচাৰ্যলৈ এইবাৰ আগবঢ়োৱা হৈছে 'চোতালৰ কবিতা' ৰজত বৰুৱা স্মৃতি শিশু সাহিত্য বঁটা । আচলতে, অসমীয়া শিশু সাহিত্যত একাত্মভাৱে নিমগ্ন থাকি সাহিত্য জগতলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতি স্বৰূপে নগাঁৱৰ বিশিষ্ট শিশু সাহিত্যিকগৰাকীক শিশু-কিশোৰৰ তিনিমহীয়া জনপ্ৰিয় আলোচনী 'চোতালৰ পখিলা'ই আগবঢ়াইছে এই সন্মান । গুৱাহাটীৰ বিষ্ণু নিৰ্মলা শিশু পুথিভঁৰাল প্ৰেক্ষাগৃহত দেওঁবাৰে আয়োজিত 'চোতালৰ পখিলা'ৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানত আনুষ্ঠানিকভাৱে এই বঁটাটি প্ৰদান কৰা হয় । বিশিষ্ট শিশু সাহিত্যিক হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, বন্দিতা ফুকন, ভাস্কৰ বীৰেন সিংহ, বিশিষ্ট আবৃত্তিকাৰ অৱনী বৰাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিত বঁটাটি গ্ৰহন কৰি শিশু সাহিত্যিক ভট্টাচাৰ্যই পৰম সন্তুষ্টি লভাৰ কথা ব্যক্তি কৰি প্ৰদান কৰা চমু ভাষণত জন্মদাতৃ মাতৃ, মাতৃভাষা আৰু মাতৃভূমি এই তিনিটাৰ প্ৰতি আনুগত্য নথকা সকল অকৃতজ্ঞ লোক বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে । উল্লেখ্য, শিশু সাহিত্যক অন্তঃকৰণেৰে ভালপোৱা নগাঁও জিলাৰ পুৱ হাতীচোঙৰ চকলাঘাট ব্ৰাহ্মণগাঁও নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ত্ৰৈলোক্য ভট্টাচাৰ্যই ১৯৮৪ চনৰ পৰাই 'নূপুৰ মোমাইদেউ' ছদ্মনামেৰে নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চাত মনোনিৱেশ কৰি আহিছে । তেওঁ 'সঁফুৰা', 'মৌচাক', 'সপোন', 'বাৰ ওঠৰ' আদি বহুকেইখন আলোচনী আৰু প্ৰায়বোৰ বাতৰি কাকতত দীৰ্ঘকাল ধৰি শিশুৰ উপযোগী মনোগ্ৰাহী লেখা লিখি আহিছে । ঘাইকৈ 'সঁফুৰা' আলোচনীত নিয়মীয়াকৈ প্ৰকাশিত তেওঁৰ ৰসাল কাহিনীৰ সকলোৰে মাজত বেছ জনপ্ৰিয় । ইতিপূৰ্বে নিজৰ সৃষ্টিৰাজিৰ স্বীকৃতি হিচাপে 'অকণি সাহিত্য সভা'ৰ 'অসম শিশু সাহিত্য বঁটা' লাভ কৰিবলৈ সক্ষম হোৱা এইগৰাকী জনপ্ৰিয় শিশু সাহিত্যিকৰ বৰ্তমানলৈকে পোন্ধৰ খনকৈ শিশু সাহিত্য গ্ৰন্থ প্ৰকাশ হৈ ওলাইছে । তেওঁ সাহিত্য চৰ্চাৰ সমান্তৰালভাৱে সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয় ৰূপত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছে ।



ঐতিহাসিক শ্ৰী শ্ৰী গাংমৌ থানত উপস্থিত সাংসদ গৌৰৱ গগৈ

প্ৰথম পৃষ্ঠাৰ পৰা...

## চাইকেল পাব নৰমৰ

বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে কেবিনেটে। আগন্তুক ২০২৬ চনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে কেবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটৰ সমাপ্তিৰ পাছতে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সংবাদ মাধ্যমক সম্বোধন কৰি কেইবাটাও সিদ্ধান্তৰ কথা ৰাজহুৱা কৰে। ৰাজ্য চৰকাৰে ৩ লাখ ৩২ হাজাৰ ৬৪০ গৰাকী ছাত্ৰী-ছাত্ৰীক বিনামূলীয়া চাইকেল প্ৰদান কৰাৰ সিদ্ধান্ত লয় কেবিনেটত। বিনামূলীয়া চাইকেল প্ৰদানৰ বাবে কেবিনেটত ১৪৮.৫৫ কোটি টকাত অনুমোদন জনায়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে ৰাজ্যখনৰ নৰম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া চাইকেল লাভ কৰিব। ৰাজ্যৰ ৩ খনকৈ পলিটেকনিকৰ বাবে ১০০ কোটি টকাৰ অনুমোদন দিছে কেবিনেটে। হাজো, মাজুলী, টিংখঙত নিৰ্মাণ হৈ আছে পলিটেকনিক।

### নীলবাগনৰ চানাপট্টিৰ ওৱাৰিছ এনক্লেভৰ পৰা চলিছে লুণ্ঠন

# চৰকাৰী নিযুক্তিৰ নামত হোজাইত চাকৰিৰ মুকলি বজাৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৪ ছেপ্টেম্বৰঃ** নিযুক্তিৰ নামত হোজাইত চাকৰিৰ মুকলি বজাৰ আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ড• হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে নিযুক্তিৰ নামত দুৰ্নীতি বন্ধ কৰিবলৈ পাকে প্ৰকাৰে  চেষ্টা অব্যাহত ৰখাৰ সময়ত একাংশ এন জি অই দুৰ্নীতিৰ মুকলি বজাৰ চলাইছে। উল্লেখ যোগ্য যে চাকৰি দিয়াৰ নামত ৩০/৩২ হাজাৰ টকা প্ৰতিগৰাকী প্ৰাৰ্থীৰ পৰা আদায় লৈছে এটি এন জি অই । সোমবাৰে বাচনি পৰীক্ষা পতাৰ পৰিকল্পনা ৰচিছিল NGO টোৱে। এডমিটৰ নামতো প্ৰাৰ্থীৰ পৰা দুহেজাৰকৈ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। প্ৰকৃততে হোজাই জিলাত বিদ্যালয়লৈ নোযোৱা বা অকালতে বিদ্যালয় এৰা ছাত্ৰ ছাত্ৰীক প্ৰথমিক শিক্ষা দি মূলসুতিকৰণ কৰিবলৈ এইটো এন জি অই চৰকাৰৰ পৰা আঁচনি লাভ কৰা বুলি জনা গৈছে।এই সমগ্ৰ প্ৰক্ৰিয়াটো বিনামূলীয়কৈ চলোৱাটো নিয়ম যদিও NGO টোৱে আৰম্ভ কৰিছে ভয়ংকৰ লুণ্ঠন।প্ৰতিবাদ কৰা প্ৰাৰ্থীক ভাবুকিৰে মুখ বন্ধ ৰাখিবলৈ চেষ্টা কৰিছে। নিবনুৱা যুৱক যুৱতীক লুণ্ঠন চলোৱা এই দোকানখন চলাইছে বাবা চাহেব ডাক্তৰ বি আৰ আম্বেদকাৰ নামৰ এন জি অ টোৱে। হোজাই জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা মাত্ৰ তিনি কিলোমিটাৰ দূৰত্বত নিবনুৱাৰ ওপৰত চলা এই লুণ্ঠণৰ কাৰ্যালয়টো আছে নীলবাগনৰ চানাপট্টিৰ ওৱাৰিছ এনক্লেভত।ওৱাৰিচ এনক্লেভৰ তিনিটা ফ্লেট ভাড়াত লৈ চলাই গৈছে এই লুণ্ঠন। যিসমুহ ধন আদায় কৰিছে সেইসমুহৰ নাই ৰচিদ। আজি ৰচিদ বিচৰাত ভাবুকিহে দিলে এগৰাকী প্ৰাৰ্থীক। আমছুৰ তৎপৰতাত হোজাই আৰক্ষীয়ে অভিযান চলায় কাৰ্যালয়টোত। ঘটনাস্থলীত হোজাই জিলা ডিএছপি সীমান্ত শৰ্মা উপস্থিত হৈ মুল অভিযুক্তক গেপ্তাৰ কৰাৰ লগতে নিবনুৱাক বুজনি দি ঘৰলৈ পঠিয়াই। উল্লেখ্য যে NGO অটোৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাণ্ডলিক বিষয়া লুৎফুৰ ৰহমান সহ দুজনক আৰক্ষীয়ে নিজৰ জিম্মাত ৰাখি তদন্ত অব্যাহত ৰাখিছে। এই চাকৰিৰ ভুৱা বজাৰখনৰ সৈতে হোজাই জিলাৰ বৃহৎ এক দালাল চক্ৰ জড়িত থকাৰ অভিযোগ উঠিছে। শীঘ্ৰে এইবোৰ কৰায়ত্ত কৰিবলৈ ৰাইজে দাবী জনাইছে।

## ৰাহুল গান্ধীক গ্ৰেপ্তাৰৰ দাবীৰে ৰাজভৱন বিজেপিৰ প্ৰতিবাদ

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** আজি শাসকীয় বিজেপি দলে গুৱাহাটীৰ ৰাজভৱনৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ৰাহুল গান্ধীয়ে সংৰক্ষণক লৈ বিদেশত দিয়া মন্তব্যক উভতি ধৰি বিজেপিয়ে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ অনুসূচিত জাতি মৰ্চাই কেইবা শতাধিক নেতা-কৰ্মীৰ উপস্থিত উলিওৱা সমদলত ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ বিৰুদ্ধে শ্ল’গান দিয়া পৰিলক্ষিত হয়। উজানবজাৰৰ হনুমান মন্দিৰৰ পৰা ৰাজপথ কপাই ৰাজভৱনলৈ যাত্ৰা কৰা বিজেপি নেতা-কৰ্মীয়ে কংগ্ৰেছ হায়ঃ হায়ঃ, ৰাহুল গান্ধী মুৰ্দাবাদ, ৰাহুল গান্ধীক গ্ৰেপ্তাৰ কৰক আদি শ্ল’গান দি আকাশ বতাহ কপাই তোলে। বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী মুন স্বৰ্ণকাৰে নেতৃত্ব দিয়া প্ৰতিবাদত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি উপস্থিত থাকে। গুৱাহাটীৰ সাংসদ কলিতা মেধিয়ে ৰাহুল গান্ধীৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে ৰাহুল গান্ধীয়ে ভাৰতৰ বাহিৰলৈ গৈ ভাৰতবৰ্ষৰ বিৰুদ্ধে কথা কয়। দেশক হেয় প্ৰতিপন্ন কৰে। ৰাহুল গান্ধীৰ বিৰুদ্ধে একগোট হৈ প্ৰতিবাদ কৰক। লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে সংবিধান সলনি কৰিব বুলি প্ৰচাৰ চলাইছিল। কিন্তু এতিয়া ৰাহুল গান্ধীয়ে সংবিধান বিৰোধী কথা কৈছে। সংৰক্ষণ উঠাই দিব বুলি কৈছে। দুৰ্ভাগ্যজনক কথা এয়া। উল্লেখ্য যে দেশৰ ভিন্ন প্ৰান্তত ৰাহুল গান্ধীক লৈ বিজেপি নেতাই কৰা অশালীন মন্তব্যক লৈ কংগ্ৰেছ সৰৱ হৈ পৰাৰ সময়তে আজি এই কাৰ্যসূচী চলিছে।

## ৰাজহুৱা সভা পাতি মাজুলীৰ ৰাইজ তথা অসমবাসীৰ ওচৰত ক্ষমা ভিক্ষা

# মাজুলীৰ চিকিৎসালয়ত উত্তপ্ত পৰিস্থিতি সৃষ্টিকাৰীক ৰাইজে কৰিলে এঘৰীয়া



**ই-সংবাদ, মাজুলী,২৪ ছেপ্টেম্বৰ:** মাজুলীৰ গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত ২২ চেপ্তেম্বৰৰ ৰাতি চিকিৎসাৰ বাবে অনা এগৰাকী জটিল ৰোগত আক্ৰান্ত ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি চিকিৎসালয়ৰ সজুলি ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে চিকৎসকক অপদস্ত চিকৎসা কৰ্মীক আক্ৰমন কৰা অভিযুক্ত বিৰুদ্ধে জেহাদ ঘোষণা কৰিলে নিজৰ গাঁওবাসীয়ে। এগৰাকী মৃত্যুমুখী জটিল ৰোগীক মাজুলী গড়মূৰস্থিত পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত ভৰ্তি কৰাৰ পিছতে মৃত্যুক আকোঁৱালী লোৱাৰ বাবে চিকিৎসা কৰ্মীক দোষাৰোপ কৰি ৰোগীৰ পৰিয়ালে আইন হাতত তুলিলৈ আক্ৰমণ কৰা ঘটনাকলৈ সৃষ্টিহোৱা পৰস্থিতি চৰ্চাৰ বিষয় হৈ পৰাৰ লগতে চিকিৎসালয় খনিৰ চিকিৎসক কৰ্মচাৰীয়ে ক'লাবেজ পৰিধান কৰি অসহযোগ আৰম্ভ কৰা বিষয়টি নিতান্তই গৰ্হিত বুলি বিবেচনা কৰিছে মাজুলীৰ ৰাইজে। চিকিৎসকসকল দেবদূত স্বৰূপ এনে অৱস্থাত নিজ গাঁৱৰ ৰাইজ আজি ক্ষোভিত হৈ অপৰাধী কেইটাৰ পৰিয়ালক আজি গাঁওবাসীয়ে এঘৰীয়া কৰাৰ সিদ্ধান্ত কৰে । তদুপৰি বিষয়টি ৰাজহুৱা কৰাৰ মানসেৰে মাজুলীৰ দল-সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত ৰাইজৰ সিদ্ধান্ত অবগত কৰে । সভাত এই ঘটনাৰ বাবে গাঁওবাসী লজ্জিত হৈ দেৱতাস্বৰূপ চিকিৎসক স্বাস্থ্যকৰ্মীক আক্ৰমণ কৰা ঘটনাৰ বাবে সমগ্ৰ অসমবাসী ৰাইজৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা বিচৰাৰ লগতে এনে অপৰাধীৰ বিৰুদ্ধে দৃষ্তান্তমূলক শাস্তি প্ৰদানৰ আহ্বান জনায়। আজি বিয়লি ২ বজাত বৰহোলা গাঁৱৰ কীৰ্তন গাঁওবাসীয়ে আয়োজন কৰা সভাত গাঁওবাসীয়ে তামোল-পাণৰ শৰাইৰে সমগ্ৰ ঘটনাৰ বাবে ক্ষমাভিক্ষা মাগে। সমাজকৰ্মী লোহিত বৰাৰ পৌৰহিত্যত হোৱা সভাখনিত গাঁওবাসীৰ সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে অদূৰ ভৱিষ্যতে মাজুলীবাসী ৰাইজৰ লগত সম্প্ৰিতিৰ ভাৱেৰে থকাৰ ক্ষেত্ৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি মুনিন্দ্ৰ ভূএগ্ৰা, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা মহিলা সমিতিৰ প্ৰতিনিধি ডলী বৰুৱা, ক্ষিতেন সৰকাৰ, অৰুণ দাস আদিয়ে সাম্প্ৰদায়িক মনোভাৱ পৰিহাৰ কৰি মাজুলীৰ জনজীৱনৰ লগত একত্ৰ হৈ সম্প্ৰীতিৰ ভাৱেৰে বসবাস কৰাৰ সিদ্ধান্তৰে শান্তিপূৰ্ণভাৱে মাজুলীৰ ৰাইজ হিচপে থকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তদুপৰি বহোলাবাসী ৰাইজে গ্ৰহণ কৰা সিদ্ধান্ত সংস্কাৰমুখী সিদ্ধান্ত বুলি সভাই বিবেচনা কৰে। উল্লেখ্য যে চিকিৎসালয়খনিৰ অধীক্ষক ডাঃ জগদীশ ভূঞাই দাখিল কৰা এজাহাৰৰ ভিত্তিত । গড়মূৰ আৰক্ষীয়ে ৫৩/২৪ নম্বৰৰ গোচৰ ৰুজ্জু কৰি ৰোগীৰ আত্মীয় ক্ৰমে ৰূপালী হলদাৰ (৩৫), গোলাপী হলদাৰ (৪০), জীৱন হলদাৰ (৩৪), ৰমেন হলদাৰ, দীপক হলদাৰ (৩৮) ক জেইল হাজোতলৈ প্ৰেৰণ কৰিছে ।

# আজি আছুৰ সৈতে অনুষ্ঠিত হ'ব মুখ্যমন্ত্ৰীৰ অতি গুৰুত্বপূৰ্ণ এক বৈঠক

**ই-সংবাদ, ২৪ ছেপ্টেম্বৰঃ** বুধবাৰে সদৌ অসম ছাত্ৰ সন্থাৰে আলোচনাত বহিব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। অসম চুক্তিৰ ছয় নং দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আছুৰে আলোচনাত বহিব মুখ্যমন্ত্ৰী। উল্লেখ্য যে, ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটৰ বৈঠকত ছয় নং দফা কাৰ্যকৰীকৰণ সংক্ৰান্তীয় বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনক অনুমোদন জনাইছিল। বৈঠকতে প্ৰতিবেদনখনৰ ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫৭ টা পৰামৰ্শই ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰা বুলি উল্লেখ কৰিছিল মুখ্যমন্ত্ৰীয়ে। এই সন্দৰ্ভত পৰৱৰ্তী সময়ত আছুৰো আলোচনাৰ কথাও ডিব্ৰুগড়ৰ সংবাদ মেলততেই ঘোষণা কৰিছিল। সেই অনুসৰিয়েই বুধবাৰে বিয়লি ৩ বজাত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষত আছুৰে আলোচনা কৰিব। এই আলোচনালৈ আছুৰ সভাপতি, সম্পাদক আৰু মুখ্য উপদেষ্টাক আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখ্য যে, ডিব্ৰুগড়ৰ সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কৈছিল বিপ্লৱ শৰ্মা আয়োগৰ পৰামৰ্শৱলীৰ ভিতৰত ৰাজ্য চৰকাৰৰ আওঁতাৰ ভিতৰত অহা পৰামৰ্শবোৰ ৰূপায়ণ কৰিব আৰু যিখিনি কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত আহে সেইখিনি কেন্দ্ৰলৈ প্ৰেৰণ কৰিব। কেবিনেটত এই প্ৰতিবেদনৰ পৰামৰ্শৱলী আলোচনা কৰি মুঠ ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫৭ টা পৰামৰ্শই ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই সংবাদ মেলতেই তেওঁ সদৌ অসম ছাত্ৰ সন্থা আৰু আন সংগঠনসমূহৰ সৈতে কথা পাতি ৫৭ টা পৰামৰ্শ ২০২৫ চনৰ ১৫ এপ্ৰিলৰ পূৰ্বে ৰূপায়ণ কৰাৰ বাবে এক ৰোডমেপ তৈয়াৰ কৰাৰ কথাও ঘোষণা কৰিছিল। তেওঁ কয়, সদৌ অসম ছাত্ৰ সন্থা আৰু আন সংগঠনসমূহৰ সৈতে কথা পাতি ৫৭ টা পৰামৰ্শ ২০২৫ চনৰ ১৫ এপ্ৰিলৰ পূৰ্বে ৰূপায়ণ কৰাৰ বাবে এক ৰোডমেপ তৈয়াৰ কৰিছো।

## ১৩ পৰা ২০ অক্টোবৰলৈ

# নামতিত আমন্ত্ৰণমূলক 'দূৰ্গা বৰা কাপ' ফুটবল প্ৰতিযোগিতা

**ই-সংবাদ, আমগুৰি ২৪ চেপ্তেম্বৰ :-** শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ খেলপথাৰত ১৩ পৰা ২০ অক্টোবলৈ আমন্ত্ৰণমূলক প্ৰাইজমণি "দূৰ্গা বৰা কাপ" ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে খেল পৰিচালনা সমিতিৰ সম্পাদক কন্দৰ্প নেওগে আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিয়া অনুসৰি, নামতি অঞ্চলৰ বৰেণ্য শিক্ষাবিদ, বৃহত্তৰ নামতি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা ক্ৰীড়া সংগঠক প্ৰয়াত দুৰ্গা বৰা নেতৃত্বত ১৯৫৮ চনতে চেতিয়া কাটনি খণ্ডৰ কেতকুৰি চাপৰিত অনুষ্ঠিত হৈছিল "দূৰ্গা বৰা কাপ" ফুটবল টুৰ্ণামেণ্ট সেয়েহে সুদীৰ্ঘ কেইবা দশকৰ পিছত নামতি ক্ৰীড়া সন্থাৰ উদ্যোগত পিতামহ স্বৰূপ প্ৰয়াত দুৰ্গা বৰাৰ স্মৃতি ৰক্ষাৰ্থে নামতি ক্ৰীড়া সন্থাৰ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আৰু নামতিবাসী ৰাইজৰ সহযোগিতাত পুণৰ ফুটবল প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে উক্ত আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া অধ্যয়ন কেন্দ্ৰ ফুটবল দলৰ লগতে তিনিচুকীয়াৰ বাৰেকুৰি আঞ্চলিক ক্ৰীড়া সন্থা, মৰিয়নী জংগল ব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ, আমগুৰি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ, নামৰূপ টাউন ক্লাব, মৰাণ টাউন ক্লাব, চতুৰ্থ অসম আৰক্ষী কমাণ্ডো আৰু চৰাইদেউ ফুটবল ক্লাবে অংশগ্ৰহণ কৰিব উক্ত প্ৰতিযোগিতাৰ আটাইকেইখন খেল উপভোগ কৰিবলৈ সকলো ক্ৰীড়াপ্ৰেমী ৰাইজক নিমন্ত্ৰণ জনাইছে

# ওদালগুৰি জিলা সত্ৰ ন্যায়ধীশ আদালতৰ ৰায়দান

## হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত

**ই-সংবাদ, ওদালগুৰি, ২৪ ছেপ্টেম্বৰঃ** ওদালগুৰি জিলা সত্ৰ ন্যায়ধীশ আদালতে এক ৰায়দানযোগে হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। ঘটনাটো সংঘটিত হৈছিল ২০২১ চনৰ ২৯ অক্টোবৰত। ওদালগুৰি জিলাৰ ওদালগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নলখামৰাত সংঘটিত হৈছিল এক শিহৰণকাৰী ঘটনা। গাওঁখনৰ দিনেশ মাৰ্দীয়ে একেখন গাওঁৰে প্ৰেমধৰ মাৰ্দী(৪০)ক সন্ধিয়া প্ৰায় সাত মান বজাত ঘৰত কোনো নথকাৰ সুযোগ লৈ ফলা খৰিৰে উপৰ্যুপৰি আক্ৰমণ কৰে। ইয়াৰ পিছদিনা ভুক্তভোগীৰ পত্নীয়ে ঘটনা সন্দৰ্ভত ওদালগুৰি আৰক্ষী থানাত দাখিল কৰে এক এজাহাৰ। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত ২৮৭/২০২১ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। পৰৱৰ্তী সময়ত উক্ত গোচৰটো ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়ধীশ আদালতত ৰুজু কৰি শুনানি আৰম্ভ কৰে। কেইৰাটাও শুনানিৰ অন্তত এন এছ দেউৰীৰ আদালতে আজি হত্যাকাৰী দিনেশ মাৰ্দীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ২০ হাজাৰ টকাৰ জৰিমনা বিহে।

# বাথৌ মহাসভাৰ স্বয়ম্ভূ নেতাৰ বিৰুদ্ধে বড়ো জাতীয় সংগঠন সৰৱ

**ই-সংবাদ, মৰিগাঁও, ২৪ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাত বাথৌক লৈ বৃহত্তৰ বড়ো সমাজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি নকৰিবলৈ মৰিগাঁও জিলা বাথৌ মহাসভাৰ লগতে দুই বড়ো জাতীয় সংগঠনৰ জিলা নেতৃত্বই স্বয়ম্ভূ নেতা সকলৰ প্ৰতি আহ্বানৰ জনাইছে। মৰিগাঁও জিলা বাথৌ মহাসভাৰ সভাপতি মহেন্দ্ৰ ব্ৰহ্ম আৰু সম্পাদক দেওৰাম চানছুমা বৰমহেলাই আজি মৰিগাঁৱত প্ৰকাশ কৰা এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে ২০০৫ চনতে আনুষ্ঠানিক ভাবে গঠন হোৱা মৰিগাঁও জিলা বাথৌ মহাসভাই কেন্দ্ৰীয় সমিতিয়ে প্ৰৱৰ্তন কৰা সংবিধানৰ আধাৰত জিলাখনত বাথৌ ধৰ্ম প্ৰচাৰ, প্ৰসাৰ আৰু বাথৌ ভক্ত সকলক সংঘবদ্ধ কৰি আহিছে। মৰিগাঁও জিলা বাথৌ মহাসভাৰ ২৩ জুলাইত অনুষ্ঠিত অধিৱেশনৰ প্ৰতিনিধি সভাই সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰু সৰ্বসন্মতি ক্ৰমে বৰ্তমানৰ কাৰ্যকৰী সমিতিখন গঠন কৰে। এই সমিতিখনে ৩১ জুলাইত আনুষ্ঠানিক ভাবে কাৰ্যভাৰ গ্ৰহণ কৰি সাংগঠনিক কাম কাজ সমূহ পূৰ্ণোদ্যমে চলাই আছে। তেনে ক্ষেত্ৰত শুকদেৱ ব্ৰহ্মা আৰু খগেন খাখলাৰী নামৰ ব্যক্তি দুজনে নিজকে জিলা বাথৌ মহাসভাৰ সভাপতি আৰু সম্পাদক বুলি চিনাকী দি জিলাখনৰ বৃহত্তৰ বড়ো সমাজখনৰ লগতে বাথৌ ধৰ্মী সকলক বিভ্ৰান্ত কৰি তুলিছে। এই সমগ্ৰ ঘটনা সম্পৰ্কত মৰিগাঁও জিলা বড়ো সাহিত্য সভা, জিলা বড়ো ছাত্ৰ সন্থাআৰু জিলা বাথৌ মহাসভাৰ নেতৃবৃন্দই ২১ ছেপ্টেম্বৰত বড়ো সাহিত্য সভাৰ কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰে। মৰিগাঁও জিলা বড়ো সাহিত্য সভাৰ সভাপতি কাশীৰাম বাগলাৰী, সম্পাদক অজিত বড়ো, জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি জয়চন্দ্ৰ বড়ো আৰু সম্পাদক পবিত্ৰ দেউৰী আৰু জিলা বাথৌ মহাসভাৰ সভাপতি মহেন্দ্ৰ ব্ৰহ্ম আৰু সম্পাদক দেওৰাম চানছুমা বৰমহেলা প্ৰমুখ্যে সংগঠন কেইটাৰ বহুকেইজন নেতা উপস্থিত থাকি ২৪ জুলাই তাৰিখৰ পৰা জিলাখনত বাথৌ মহাসভাৰ স্বয়ম্ভূ নেতা হৈ পৰা এই লোক কেইগৰাকীৰ বিৰুদ্ধে সৰৱ হৈ পৰে। লগতে জিলাখনৰ বড়ো তথা বাথৌ সমাজ দুটা ভাগত বিভক্ত হোৱা বুলি নিৰ্লজ্জ ভাবে প্ৰচাৰ চলাই থকা কাৰ্য শীঘ্ৰে বন্ধ কৰিবলৈ সকীয়াই দিয়ে। এই সভাতে বড়ো জাতীয় সংগঠন কেইটাৰ জিলা নেতৃত্বই শেহতীয়াকৈ বাথৌক লৈ উদ্ভৱ হোৱা এই সমস্যাটোৰ ক্ষেত্ৰত সদৌ দুলাৰায় বাথৌ মহাসভাক হস্তক্ষেপ কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্বয়ম্ভূ নেতা গণক প্ৰশ্ৰয় নিদিবলৈ জিলাখনৰ বড়ো সমাজৰ প্ৰতি আহ্বান জনায়।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)